## লেন-দেনৰ সমতাৰ চলিত আৰু মূলধনী হিচাপ

চলিত হিচাপ আৰু মূলধনী হিচাপৰ প্ৰধান পাৰ্থক্যবোৰ হৈছে ঃ

(১) চলিত হিচাপত দ্ৰব্য আৰু সেৱা বিনিময় লগত জড়িত আৰ্থিক লেন-দেন আৰু একপক্ষীয় হস্তান্তৰ নথিভূক্ত কৰা হয়। কিন্তু মূলধনী হিচাপত মূলধনৰ লেনদেন যেনে ঋণ আহৰণ আৰু ঋণ প্ৰদান, সম্পদৰ ক্ৰয় বিক্ৰয় আৰু সোণ অৰু বিদেশী মুদ্ৰাৰ মজুত পৰিবৰ্ত্তন অৰ্ন্তভূক্ত হয়।

(২) চলিত হিচাপৰ লেনদেনবোৰ প্ৰৱাহৰ দৰে। কিন্তু মূলধনী হিচাপৰ লেনদেনবোৰ মজুত প্ৰকৃতিৰ।

(৩) চলিত হিচাপৰ লেন-দেন দেশৰ চলিত আয় স্তৰৰ পৰিবৰ্ত্তন সূচায়। কিন্তু মূলধনী লেন-দেন দেশ এখনৰ মূলধনৰ মজুতলৈ পৰিবৰ্ত্তন আনে।

Scanned with CamScanner

## লেন-দেনৰ সমতাৰ সমানতা আৰু ভাৰসাম্যতাৰ পাৰ্থক্য

(ক) লেন-দেনৰ সমতা হিচাপৰ সমানতা বুলিলে দেশ এখনৰ বিদেশৰ সৈতে দেনা-পাওনাৰ সমতাক বুজায়। কিন্তু লেনদেনৰ ভাৰসাম্যতা হৈছে সামগ্ৰীক স্বনিৰূপিত আয় আৰু স্বনিৰূপতি পৰিশোধৰ সমতা।

(খ) লেন-দেনৰ সমতা হিচাপৰ সমতা কোনো আৰ্থিক তাৎপৰ্য্য নাই। কিন্তু লেনদেনৰ ভাৰসাম্যতাই দেশ এখনৰ আৰ্থিক স্থিৰতাৰ আভাস দিয়ে।

## লেনদেনৰ সমতা হিচাপত পাওনা আৰু দেনাৰ শ্ৰেণীকৰণ

| দেনা (−) | পাওনা (+) |
|---|---|
| **বিভাগ – ১ (দ্ৰব্য আৰু সেৱাৰ হিচাপ)** | |
| (ক) আমদানি দ্ৰব্য | (ক) ৰপ্তানি দ্ৰব্য |
| (খ) আমদানি সেৱা | (খ) ৰপ্তানি সেৱা |
| **বিভাগ – ২ (একপক্ষীয় হস্তান্তৰৰ হিচাপ)** | |
| (ক) বিদেশলৈ একপক্ষীয় হস্তান্তৰ | (ক) বিদেশৰ পৰা পোৱা একপক্ষীয় হস্তান্তৰ |
| **বিভাগ – ৩ (দীৰ্ঘকালীন মূলধনী হিচাপ)** | |
| (ক) স্বদেশী লোক আৰু চৰকাৰৰ দীৰ্ঘকালীন বিদেশী সম্পদ বৃদ্ধি | (ক) স্বদেশী লোক আৰু চৰকাৰৰ দীৰ্ঘলাকীন সম্পদ হ্ৰাস |
| (খ) প্ৰবাসীলোক আৰু বিদেশী চৰকাৰৰ দীৰ্ঘকালীন সম্পদ হ্ৰাস | (খ) প্ৰবাসী লোক আৰু চৰকাৰৰ দীৰ্ঘকালীন ঘৰুৱা সম্পদ বৃদ্ধি। |
| **বিভাগ – ৪ (হ্ৰস্বকালীন ব্যক্তিগত মূলধনী হিচাপ)** | |
| (ক) স্বদেশী ব্যক্তিগত নাগৰিকৰ হ্ৰস্বকালীন বিদেশী সম্পদ বৃদ্ধি | (ক) ব্যক্তিগত নাগৰিকৰ হ্ৰস্বকালীন বিদেশী সম্পদ হ্ৰাস |
| (খ) প্ৰবাসী লোকৰ হ্ৰস্বকালীন ঘৰুৱা সম্পদ হ্ৰাস | (খ) বিদেশী নাগৰিকৰ হ্ৰস্বকালীন ঘৰুৱা সম্পদ বৃদ্ধি |
| **বিভাগ – ৫ (অতি হ্ৰস্বকালীন আনুষ্ঠানিক মূলধনী হিচাপ)** | |
| (ক) স্বদেশী চৰকাৰৰ হ্ৰস্বকালীন বিদেশী সম্পদ বৃদ্ধি (আনুষ্ঠানিক মুদ্ৰা কৰ্তৃপক্ষ) | (ক) স্বদেশী চৰকাৰৰ হ্ৰস্বকালীন বিদেশী সম্পদ হ্ৰাস (আনুষ্ঠানিক মুদ্ৰা কৰ্তৃপক্ষ) |
| (খ) বিদেশী চৰকাৰৰ হ্ৰস্বকালীন সম্পদ হ্ৰাস (আনুষ্ঠানিক মুদ্ৰা কৰ্তৃপক্ষ) | (খ) বিদেশী চৰকাৰৰ হ্ৰস্বকালীন ঘৰুৱা সম্পদ বৃদ্ধি (আনুষ্ঠানিক মুদ্ৰা কৰ্তৃপক্ষ) |

Scanned with CamScanner

## বাণিজ্যিক সমতা আৰু চলিত হিচাপত সমতাৰ পাৰ্থক্য

| | বাণিজ্যিক সমতা | | চলিত হিচাপত সমতা |
|---|---|---|---|
| ১. | ই দৃশ্যমান দ্ৰব্যৰ আমদানি আৰু ৰপ্তানিৰ পৰিমান দেখুৱায়। | ১. | ই দৃশ্যমান, অদৃশ্যমান সমতা আৰু হস্তান্তৰ দেখুৱায়। |
| ২. | বাণিজ্যিক সমতাৰ ৰাহি বা ঘাটি উদ্ভৱ হয়, যেতিয়া দৃশ্যমান ৰপ্তানি আৰু আমদানিৰ সৰ্বমূঠ মূল্য সমান নহয়। যেতিয়া ৰপ্তানি আমদানিতকৈ কম হয় তেতিয়াই বাণিজ্যিক সমতাত ঘাটিয়ে দেখা দিয়ে। অন্যহাতে যেতিয়া ৰপ্তানি আমদানিতকৈ অধিক হয় তেতিয়া বাণিজ্যিক সমতাত ৰাহিৰ সৃষ্টি হয়। | ২. | চলিত হিচাপৰ সমতা সমান হোৱাটো আৱশ্যকীয় নহয়। ইয়াত ৰাহি নাইবা ঘাটি হব পাৰে। এই হিচাপত ঘাটি হব যেতিয়া আয়তকৈ পৰিশোধ অধিক হয়। অন্যহাতে ৰাহি হব যেতিয়া আয় পৰিশোধতকৈ অধিক হয়। |

## বাণিজ্যিক সমতা আৰু লেন-দেনৰ সমতাৰ পাৰ্থক্য

| | বাণিজ্যিক সমতা | | চলিত হিচাপত সমতা |
|---|---|---|---|
| ১. | কেৱল বাণিজ্যিক সমতাৰ হিচাপতহে দৃশ্যমান দ্ৰব্যৰ আমদানি আৰু ৰপ্তানি অৰ্ন্তভূক্ত। | ১. | লেন-দেনৰ সমতা হিচাপৰ দৃশ্যমান আৰু অদৃশ্যমান লেন দেন অৰ্ন্তভূক্ত। ইয়াত একপক্ষীয় হস্তান্তৰ আৰু মূলধনৰ বিনিময়ো ধৰা হয়। |
| ২. | বাণিজ্যিক সমতা লেন-দেন সমতাৰ চলিত হিচাপৰে এটা অংশ। | ২. | লেন-দেনৰ সমতাত চলিত আৰু মূলধনী হিচাপ দুয়োটাকে ধৰা হয়। |
| ৩. | বাণিজ্যিক সমতাৰ ৰাহি নাইবা ঘাটি হব পাৰে। | ৩. | লেন-দেনৰ সমতাৰ হিচাপ গণনাৰ দৃষ্টিৰে সদায় সমান। |
| ৪. | বাণিজ্যিক সমতাই দেশ এখনৰ ৰাষ্ট্ৰীয় আয় প্ৰভাৱিত কৰে। বাণিজ্যিক সমতাৰ হিচাপত ৰাহি হলে ৰাষ্ট্ৰীয় আয় বৃদ্ধি পায় আৰু ঘাটি হলে ৰাষ্ট্ৰীয় আয় হ্ৰাসে পায়। | ৪. | লেন-দেনৰ সমতা অনুকূল হলে চলিত হিচাপত ৰাহি সৃষ্টি হয় (অৰ্থাৎ মূলধনী হিচাপত ঘাটি হয়)। ই দেশ এখনৰ ঋণগ্ৰস্ততা হ্ৰাস পোৱাটো বুজায়। লেন-দেনৰ সমতা প্ৰতিকূল হলে দেশএখনৰ ঋণগ্ৰস্ততা বৃদ্ধি পায়। |

Scanned with CamScanner

## লেনদেনৰ সমতাৰ ভাৰসাম্যহীনতা :-

লেনদেনৰ সমতা এক হিচাপগত সমতা। ইয়াত দেনা আৰু পাওনা সদায়েই সমান হয়। ইয়াৰ কাৰণ হ'ল হিচাপৰ দুটা দিশৰ যোগফল সমান।

সেইবাবে আমি লেনদেনৰ ভাৰসাম্য নাইবা ভাৰসাম্যহীনতাৰ কথা কওঁতে তেতিয়া হিচাপৰ সমতাৰ কথা কোৱা হয়। ইয়াত আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ পৰা লোৱা ঋণ, S.D.R ৰ ব্যৱহাৰ, কেন্দ্ৰীয় বেংকৰ পৰা লোৱা বিদেশী মুদ্ৰা আদিৰ হ্ৰাস বা বৃদ্ধি ধৰা নহয়। এই প্ৰমোদিত বিষয়বোৰ বাদ দিও যদি বাঢ়ি বা ঘাটি নহয় তেতিয়া লেনদেনৰ সমতা ভাৰসাম্য বুলি কোৱা হয়।

কিন্তু ইয়াৰ বিপৰীত, বাঢ়ি বা ঘাটিৰ অৱস্থাত লেনদেনৰ সমতাৰ ভাৰসাম্যহীনতা আহি পাৰে। যদি স্বনিৰূপিত পাওনা স্বনিৰূপিত দেনাৰ তুলনাত কম হয় তেন্তে লেনদেনৰ হিচাপত ঘাটিৰ সৃষ্টি হয়। ফলত লেনদেনৰ সমতা প্ৰতিকূল হয়। ইয়াৰ বিপৰীতে যদি স্বনিৰূপিত পাওনা স্বনিৰূপিত দেনাৰ তুলনাত বেছি হয় তেন্তে লেনদেনৰ হিচাপত বাঢ়িৰ সৃষ্টি হয়। ফলত লেনদেনৰ সমতা অনুকূল হয়।

Scanned with CamScanner

... বাহিৰ সৃষ্টি হব আৰু লেনদেনৰ সমতা অনুকূল হব।

## লেন-দেনৰ সমতা ভাৰসাম্যহীন হোৱাৰ কাৰণ

বাণিজ্যিক লেনদেনৰ ভাৰসাম্যহীনতা বিভিন্ন কাৰণত সৃষ্টি হয়। তলত কাৰণ সমূহ আলোচনা কৰা হল।

১. **উচ্চ উন্নয়নমূলক ব্যয় ঃ** উন্নয়নশীল দেশবোৰত বিকাশ প্ৰক্ৰিয়াটো আৰম্ভ হওঁতে নানান যন্ত্ৰপাতি, কেঁচাসামগ্ৰী আদি আমদানি কৰিবলগীয়া হয়। ফলস্বৰূপে আমদানিৰ খৰচ বাঢ়ি যায় আৰু লেনদেনৰ সমতা প্ৰতিকূল হৈ পৰে।

২. **জনসংখ্যা বৃদ্ধি ঃ** অত্যাধিক জনসংখ্যা বৃদ্ধিৰ দেশ এখনত লেনদেনৰ সমতা প্ৰতিকূল হোৱা দেখা যায়। কাৰণ দেশীয় ভাবে উৎপাদন হোৱা দ্ৰব্য আৰু সেৱা সমূহে সৰ্বমুঠ চাহিদা পূৰণ কৰিব নোৱাৰে। গতিকে বিভিন্ন দ্ৰব্য আৰু সেৱা আমদানি কৰিব লগীয়া হয়।

৩. **ৰুচি পৰিবৰ্ত্তনৰ বাবে হোৱা ৰপ্তানি হ্ৰাস ঃ** ৰপ্তানি যাইকৈ নিৰ্ভৰ কৰে বিদেশৰ বজাৰত থকা দ্ৰব্যৰ চাহিদাৰ ওপৰত। কেতিয়াবা বিদেশী বজাৰত দ্ৰব্যৰ চাহিদা হ্ৰাস পায়। যেনে বিদেশী লোকৰ ৰুচি পৰিবৰ্ত্তন হলে নাইবা প্ৰযুক্তিগত উদ্ভাৱনৰ বাবে বিদেশত উৎপাদিত দ্ৰব্যৰ উৎপাদন ব্যয় হ্ৰাস পালে দেশীয় ভাবে উৎপাদিত দ্ৰব্যই বিদেশত বজাৰ হেৰুৱাব লগীয়া হয়। সেয়েহে ৰপ্তানিৰ পৰিমান কমি গৈ দেশখনৰ লেন-দেনৰ সমতা প্ৰতিকূল হৈ পৰে।

৪. **মুদ্ৰাস্ফীতি ঃ** মুদ্ৰাস্ফীতিয়ে লেনদেনৰ ভাৰসাম্যহীনতা সৃষ্টি কৰে। এনে সময়ত ৰপ্তানি হ্ৰাস পায় আৰু আমদানিকৃত দ্ৰব্যৰ চাহিদা বৃদ্ধি হয়। কাৰণ মুদ্ৰাস্ফীতিৰ সময়ত ৰপ্তানি ব্যয় বহুল আৰু আমদানি সস্তা হয়। আমদানি হ্ৰাস আৰু ৰপ্তানি বৃদ্ধি পালে বাণিজ্যিক সমতা প্ৰতিকূল হৈ লেনদেনৰ সমতা ভাৰসাম্যহীন কৰি তোলে।

৫. **ৰাষ্ট্ৰীয় আয়ৰ পৰিমাণ পৰিবৰ্ত্তন ঃ** ৰাষ্ট্ৰীয় আয়ৰ পৰিমাণ পৰিবৰ্ত্তন হলেও লেন-দেনৰ সমতা ভাৰসাম্যহীন হয়। কাৰণ ৰাষ্ট্ৰীয় আয় বৃদ্ধিৰ ফলত আমদানি বৃদ্ধি পাবলৈ ধৰে আৰু লেনদেনৰ সমতাত ঘাটিয়ে দেখা দিয়ে। যদি দেশখনে পূৰ্ণ নিয়োগৰ অৱস্থা পায় তেন্তে আয় বৃদ্ধিৰ ফলত দৰ বৃদ্ধি পায় আৰু আমদানি বাঢ়িবলৈ ধৰে।

৬. **বৈদেশীক বিনিময় হাৰৰ পৰিবৰ্ত্তন ঃ** দেশীয় মুদ্ৰাৰ বহিঃমূল্য বৃদ্ধিয়ে আমদানি সস্তীয় আৰু ৰপ্তানি ব্যয় বহুল কৰি তোলে। গতিকে আমদানি উৎসাহিত আৰু ৰপ্তানি নিৰুৎসাহিত হৈ লেনদেনৰ সমতা ভাৰসাম্যহীন কৰি তোলে।

৭. **ঋণৰ বোজা বৃদ্ধি ঃ** উন্নয়নশীল দেশবোৰে উন্নয়নমূলক কাম কাজৰ বাবে পৰ্টফ'লিঅ' বিনিয়োগৰ ৰূপত মূলধন আমদানি কৰিব লগীয়া হয়। ইয়াৰ ফলত ঋণৰ বোজা বৃদ্ধি পায়। এনেবোৰ দেশে ঋণ পৰিশোধৰ বাবে বৃহৎ মাত্ৰাত উন্নত দেশবোৰলৈ পুজি হস্তান্তৰ কৰিব লগীয়া হয়। ফলস্বৰূপে লেনদেনৰ সমতা ভাৰসাম্যহীন হৈ প্ৰতিকূল হৈ পৰে।

৮. **প্ৰদৰ্শন প্ৰভাৱ ঃ** উন্নয়নশীল দেশসমূহত দেখা দিয়ে প্ৰদৰ্শন প্ৰভাৱো লেনদেনৰ সমতা ভাৰসাম্যহীন হোৱাৰ এটা অন্যতম কাৰণ। উন্নয়নশীল দেশৰ জনসাধাৰণে উন্নত দেশৰ ভোগ পদ্ধতি অৱলম্বন কৰা দেখা যায়। ফলস্বৰূপে এনেবোৰ দেশৰ স্থায়ী ভোগ্য দ্ৰব্যৰ আমদানি বৃদ্ধি হোৱা বাবে লেনদেনৰ সমতাত ঘাটিৰ সৃষ্টি হয়।

Scanned with CamScanner